...উপাখুক্তক দাবী জনায়। গ্ৰাহকসকলে দাবী কৰে।

## কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়ত জাতীয় সংহতি সপ্তাহ উদ্‌যাপন

# সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে আলোচনা-চক্ৰ সম্পন্ন

কলগাছিয়া ঃ এজন সংবাদদাতা, ২৫ নৱেম্বৰ ঃ বৰপেটা জিলাৰ পশ্চিমাঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়াৰ সৌজন্যত কালি কলেজখনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু একাংশ অভিভাৱকে জাতীয় সংহতি সপ্তাহ উদ্‌যাপন উপলক্ষে ৰাইজৰ পৰা দান-বৰঙনি সংগ্ৰহ কৰে। উল্লেখযোগ্য যে যোৱা ১৯ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা জাতীয় সংহতি সপ্তাহ কাইলৈ সন্ধিয়া সমাপ্ত হ'ব। ইয়াৰ অংশ স্বৰূপে আজি পুৱা মহাবিদ্যালয় প্ৰাংগণত এটা সমদল উলিয়াই কলগাছিয়া চাৰিআলি চক আৰু বজাৰলৈ গৈ পথচাৰী, ব্যৱসায়ীসকলৰ পৰা সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি হোৱা ক্ষতিগ্ৰস্তসকলৰ বাবে দান-বৰঙনি সংগ্ৰহ কৰে। কাৰ্যসূচীত ৰাইজে স্বতঃস্ফূৰ্ত সঁহাৰি জনায়। ৰাইজৰ পৰা সংগ্ৰহ কৰা মুঠ ৬,৮৫৬ টকা বেংকৰ জৰিয়তে সাম্প্ৰদায়িক সংঘৰ্ষত ক্ষতিগ্ৰস্তসকলৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰে। সমদলৰ অন্তত মহাবিদ্যালয়ৰ সভাকক্ষত সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে এখন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদৰ অধ্যক্ষতাত অনুষ্ঠিত আলোচনা-চক্ৰৰ আঁত ধৰে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক মেৰিনা আহমেদ আৰু অধ্যাপিকা পাঞ্চালী বৈশ্যেই। আলোচক হিচাপে উপস্থিত থাকে অধ্যাপক ড° শ্বেৰমান আলী আৰু অধ্যাপক হানিফ মোস্তাক আহমেদে। আলোচনা-চক্ৰত অধ্যাপক ড° শ্বাহজামাল শ্বেখ, অধ্যাপক আতাউৰ ৰহমান, প্ৰাক্তন ছাত্ৰ আছিৰ উদ্দিন তালুকদাৰ আদি উপস্থিত থাকে।